## জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

**নং ঃ ৩৯৭/২০২০**

<u>গোটা আৱৰ্জনাৰ ব্যৱস্থাপনা সন্দৰ্ভত বৈঠক</u>

**গুৱাহাটী মহানগৰীৰ জলাশয়সমূহ সংৰক্ষণ কৰি সৌন্দৰ্যবৰ্দ্ধনৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**
**অট্টালিকা নিৰ্মাণৰ অনুমতি শীঘ্ৰে লাভ কৰাটো সুনিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**
**চলিত বছৰৰ ভিতৰত মহানগৰবাসীয়ে লাভ কৰিব খোৱা পানী ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ২ জুনঃ** গুৱাহাটী মহানগৰীৰ জলাশয়সমূহ সংৰক্ষণ কৰি সৌন্দৰ্যবৰ্দ্ধনৰ বাবে যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটী পৌৰ নিগমক নিৰ্দেশ দিয়ে। কিমানসংখ্যক জলাশয় এতিয়া সুৰক্ষিত অৱস্থাত আছে তাৰ বিশ্লেষণ কৰি আৰু অধিক সুৰক্ষাৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আজি গুৱাহাটী পৌৰ নিগমৰ মুখ্য কাৰ্যালয়ৰ সভাকক্ষত গোটা আৱৰ্জনাৰ ব্যৱস্থাপনা সন্দৰ্ভত অনুষ্ঠিত এক বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে চলিত বছৰৰ ভিতৰতে যাতে গুৱাহাটী মহানগৰীৰ পানী যোগান আঁচনি কাৰ্যকৰী হৈ উঠে তাৰ বাবে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে গৃহ নিৰ্মাণৰ অনুমতিৰ ক্ষেত্ৰত কোনো ধৰণৰ বিলম্ব যাতে কৰা নহয় সেই দিশত উপযুক্ত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। পৌৰ নিগমৰ আইন ভংগকাৰীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে আইন বলৱৎ গোট শক্তিশালী কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জৰিমনাৰ লেখীয়া পদক্ষেপসমূহ অধিক ক্ষিপ্ৰতাৰে গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত আৰক্ষীৰ লগত সহযোগিতাৰে কাম কৰিবলৈও মুখ্যমন্ত্ৰীয়ে কয়। গুৱাহাটী মহানগৰীয়ে ক্ৰমাগতভাৱে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এখন উল্লেখযোগ্য মহানগৰ হিচাপে স্থান লাভ কৰাৰ দিশেৰে অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মহানগৰীৰ যান-জটৰ সমস্যা লাঘৱ কৰাৰ বাবে এক বিস্তৃত কৰ্ম আঁচনি যুগুতাই তুলিবলৈও নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে গুৱাহাটী মহানগৰীৰ প্ৰাকৃতিক সৌন্দৰ্যৰ সুৰক্ষা, গাড়ীৰ পাৰ্কিং, নতুন বজাৰ স্থাপন ইত্যাদি দিশসমূহ অধ্যয়ন কৰিবলৈও নিগমৰ শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কৃত্ৰিম বানপানী ৰোধৰ ক্ষেত্ৰত অধিক সতৰ্ক আৰু সজাগতাৰে কাম কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। গুৱাহাটী মহানগৰীক আধুনিক চহৰ হিচাপে গঢ় দিয়াৰ বাবে যিবোৰ সুযোগ আৰু সম্ভাৱনা আছে তাক অধ্যয়ন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আজিৰ এই বৈঠকত মহানগৰীৰ গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰো বুজ লয়।

আজিৰ এই বৈঠকত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিং, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেৱজ্যোতি হাজৰিকা প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

**পুঃডেঃ**
**২/৬/২০২০**